# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 05**-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী য়বেট কুপাৰে কালি নতুন দিল্লীত ভাৰত-ব্ৰিটেইন দৃষ্টিভংগী ২০৩৫ৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে প্ৰথমখন বাৰ্ষিক বৈঠকত মিলিত হয়।

৩। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰা মন্ত্ৰীসকলে আজি শপত গ্ৰহণ কৰিব।

৪। নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানাল তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব।

*আৰু*

৫। ল'ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত চিৰবৈৰী পাকিস্তানৰ মুখামুখি হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাট আৰু দমন ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, শক্তি আৰু ঔদ্যোগিক খণ্ডৰ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে ছুৰাটত ২০০ খন বিছনাযুক্ত এখন ই এছ্ আই চি চিকিৎসালয় মুকলি কৰিব। সন্ধিয়াৰ ভাগত তেওঁ দমনলৈ যাব আৰু তাত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য, অসামৰিক বিমান পৰিবহণ, পৰ্যটন, আন্তঃগাঁথনি, যোগাযোগ আৰু জনকল্যাণ খণ্ডৰ প্ৰকল্প অন্যতম। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে নমো বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন আৰু নমো চিকিৎসালয়কে ধৰি প্ৰায় এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। বিমান বন্দৰৰ এই নতুন টাৰ্মিনেলে দমনৰ আঞ্চলিক বিমান যোগাযোগ অধিক উন্নত কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব যোগাসন প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী খেলুৱৈসকলে স্বদেশলৈ উভতি যোৱাৰ পাছত আয়ুষ মন্ত্ৰালয়ৰ যোগ ৩৬৫ অভিযানৰ গোলকীয় এম্বেচাদৰ হ'বলৈ আহ্বান জনাইছে। আহমেদাবাদত এই প্ৰতিযোগিতাৰ উদ্বোধনী কাৰ্যসূচীত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে আয়ুষ মন্ত্ৰালয়ে গোটেই বছৰজুৰি যোগ আৰু যোগৰ সৈতে জড়িত হৈ থকাৰ লগতে জনসাধাৰণৰ মাজত উন্নত স্বাস্থ্যৰ জীৱনশৈলীৰ আদৰ্শ প্ৰসাৰৰ উদ্দেশ্যে

যোগ-৩৬৫ অভিযান মুকলি কৰিছে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিযোগিতাৰ বাহিৰেও যোগ সন্দৰ্ভত সজাগতা বৃদ্ধিত সহযোগিতা আগবঢ়াবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈসকলক আহ্বান জনায়। আহমেদাবাদত পোনপ্ৰথমবাৰৰ বাবে আয়োজিত বিশ্ব যোগাসন প্ৰতিযোগিতাত ৬০ খনৰো অধিক দেশৰ ৪০০ৰো অধিক প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰিছে। কালি আৰম্ভ হোৱা এই প্ৰতিযোগিতাৰ অহা ৮ জুনত সামৰণি পৰিব আৰু এই প্ৰতিযোগিতাই যোগাসনক আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়ালৈ উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব।

*(বাইট ঃ প্ৰধানমন্ত্ৰী)*

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী য়বেট কুপাৰে কালি নতুন দিল্লীত ভাৰত-ব্ৰিটেইন দৃষ্টিভংগী ২০৩৫ৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে প্ৰথমখন বাৰ্ষিক বৈঠকত মিলিত হয়। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত-ব্ৰিটেইন দৃষ্টিভংগী ২০৩৫ৰ পাঁচটা স্তম্ভ- বিকাশ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু সুৰক্ষা, জলবায়ু আৰু পৰিস্কাৰ শক্তি তথা শিক্ষাৰ অধীনত হৈ থকা অগ্ৰগতি সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে।

মন্ত্ৰী দুগৰাকীয়ে ব্যাপক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ ফলত সৃষ্টি হোৱা সুবিধাসমূহৰ আদৰণি জনায় আৰু এইসমূহৰ শীঘ্ৰেই কাৰ্যকৰীকৰণৰ আশা প্ৰকাশ কৰে। তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তা আৰু জটিল খনিজ ক্ষেত্ৰকে ধৰি ভাৰত-ব্ৰিটেইন প্ৰযুক্তি সুৰক্ষা উদ্যমৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন উদ্যমৰ অগ্ৰগতি সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে। প্ৰতিৰক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত মন্ত্ৰীদুগৰাকীয়ে  বিকাশৰ গতিৰ লগতে আৰু দুয়োখন দেশৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত সামৰিক প্ৰশিক্ষকৰ আদান-প্ৰদানকে ধৰি ন ন বিকাশক আদৰণি জনায়। তেওঁলোকে শিক্ষাক দ্বিপাক্ষিক সহযোগিতাৰ সবাটোকৈ সফল স্তম্ভ হিচাপে অভিহিত কৰি শিক্ষা বিষয়ত প্ৰথম মন্ত্ৰী পৰ্যায়ৰ আলোচনা অনুষ্ঠিত কৰিবলৈ সন্মতি প্ৰকাশ কৰে। মন্ত্ৰী দুগৰাকীয়ে ভাৰত-ব্ৰিটেইন জলবায়ু অংশীদাৰিত্বৰ প্ৰয়োজনীয়তাক স্বীকৃতি প্ৰদান কৰে। আলোচনাত পাৰস্পৰিক গুৰুত্ব আৰু সহযোগিতাৰ বিভিন্ন আঞ্চলিক তথা গোলকীয় বিষয় সন্দৰ্ভতো বিতংভাৱে আলোচনা কৰা হয়।

০০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰসাৰিত নতুন  মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা প্ৰকাশ কৰিছে। সামাজিক মাধ্যম এক্স যোগে মুখ্যমন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰিবলগীয়া ১২গৰাকী মন্ত্ৰীৰ তালিকা প্ৰকাশ কৰিছে। সম্প্ৰসাৰিত মন্ত্ৰীসভাত অশ্বিনী ৰয় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কেশৱ মহন্ত, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। আজি দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ আমন্ত্ৰণ মৰ্মে  নেপালৰ বিদেশ মন্ত্ৰী শিশিৰ খানাল তিনি দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব। এই ভ্ৰমণৰ সময়ত শ্ৰী খানালে নতুন দিল্লীত ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰিব। এখন বিজ্ঞপ্তিত নেপালৰ বিদেশ মন্ত্ৰালয়ে কৈছে যে, এই ভ্ৰমণৰ সময়ত দুয়োপক্ষই বাণিজ্য, বিনিয়োগ,

যোগাযোগ, শক্তি আৰু দেশ দুখনৰ মাজৰ জনসাধাৰণৰ সম্পৰ্ক উন্নীত কৰাকে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰিব।

০০০০

আজি সমগ্ৰ বিশ্বত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হৈছে। পৃথিৱীত জীৱন ৰক্ষাৰ বাবে সজাগতা গঢ়ি তোলাৰ বাবে ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে ১৯৭৩ চনৰ পৰা প্ৰতি বছৰে ৫ জুন তাৰিখে এই দিৱস পালন কৰা হয়।

বিশ্ব পৰিবেশ দিৱস উপলক্ষে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱ আৰু ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে এক পেড মা কে নাম অভিযানৰ অধীনত ৰাষ্ট্ৰীয় ৰাজধানীৰ মৈদানগড়ীৰ নমো অক্সিজেন পাৰ্কত গছপুলি ৰোপণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, মুখ্যমন্ত্ৰী, মন্ত্ৰী, সাংসদ, বিধায়কে ৰাজ্যিক পৰ্যায়ৰ বিশ্ব পৰিবেশ দিৱসৰ ভিন ভিন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে ভাৰতৰ সৈতে ৰাছিয়াৰ কৌশলগত অংশীদাৰিত্বক প্ৰশংসা কৰি কয় যে ৰাছিয়াৰ সৈতে ভাৰতক সহযোগিতা হ্ৰাস কৰিবলৈ বাধ্য কৰাবলৈ পশ্চিমীয়া প্ৰচেষ্টাসমূহ অসাৰ আৰু বিশ্বৰ স্থিতিশীলতাৰ বাবে ক্ষতিকাৰক। বিশ্বৰ আগশাৰীৰ সংবাদ সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে কালি হোৱা এক মত বিনিময়ত পুটিনে ভাৰতৰ অৰ্থনৈতিক বিকাশ আৰু ইয়াৰ স্বতন্ত্ৰ বৈদেশিক নীতিক প্ৰশংসা কৰি কয় যে ৰাছিয়াই দেশখনৰ সৈতে নিজৰ অৰ্থনৈতিক সংযোগ বৃদ্ধিৰ বাবে বদ্ধপৰিকৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰত চৰকাৰে যি কঠোৰ পৰিশ্ৰম কৰি আহিছে তাৰ ফল ভাৰতৰ অৰ্থনৈতিক বিকাশত পৰিলক্ষিত হৈছে বুলিও তেওঁ কয়।

০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে ম্যানমাৰৰ পৰা বাৰ্মিজ ছুপাৰিৰ সৰবৰাহ আৰু ৯৭০ কোটি টকাৰো অধিক অপৰাধৰ উপাৰ্জনৰ ধন সৰবৰাহৰ সৈতে জড়িত এটা গোচৰ সন্দৰ্ভত মিজোৰামৰ চাম্পাইৰ ৯টা স্থানত তালাচী চলায় ।সংস্থাটোৱে জনোৱা মতে, তদন্তত প্ৰকাশ পাইছে যে ম্যানমাৰৰ নাগৰিকে জোখোৱাথাৰ আৰু চাম্পাইৰ জৰিয়তে শুল্ক নিষ্পত্তিৰ অবিহনে টিয়াউ নদী পাৰ হৈ ভাৰতলৈ শুকান ছুপাৰি সৰবৰাহ কৰিছিল। সংস্থাটোৱে প্ৰকাশ কৰে যে স্থানীয় লোকসকলে চোৰাং ছুপাৰি চম্পাইৰ গুদামত মজুত কৰি অসম-মিজোৰাম সীমান্তৰ ভাইৰেংটেলৈ যাতায়তৰ সমন্বয় সাধন কৰে। এই কাম-কাজৰ বাবে অসমৰ

শিলচৰৰ ব্যৱসায়ী আৰু বিত্তীয় সাহায্য প্ৰদানকাৰিয়ে বেংকিং চেনেলৰ জৰিয়তে মিজোৰামৰ কিছু স্থানীয় লোকৰ একাউণ্টত বৃহৎ পৰিমাণৰ ধন প্ৰেৰণ কৰিছিল। তদন্তকাৰী সংস্থাটোৱে উল্লেখ কৰে যে ২০২১ চনৰ পৰা ২০২৪ চনলৈকে চম্পাই জিলাত ছুপাৰি চলাচলৰ বাবে অবৈধ প্ৰমাণপত্ৰ আৰু ভুৱা শুল্ক নিষ্পত্তিৰ নথি ব্যৱহাৰ কৰি জি এছ টিৰ অধীনত পঞ্জীয়ন নকৰা সত্বেও জালিয়াতিৰে ২৫১ কোটি ১৯ লাখ টকা মূল্যৰ (এছজিএছটি) আৰু ৮৬ কোটি ২৫ লাখ টকাৰ ই-ৱে বিল প্ৰস্তুত কৰিছিল বুলি তদন্তত প্ৰকাশ পাইছে।

০০০০

১৯৮৭ চনৰ অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া তৰুণ কাপুৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপদেষ্টা হিচাপে এবছৰ কাৰ্যকাল বৃদ্ধিৰ বাবে নিযুক্তি সম্পৰ্কীয় কেবিনেট সমিতিয়ে অনুমোদন জনাইছে। কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে জনোৱা মতে, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত শ্ৰী কাপুৰৰ বৰ্ধিত কাৰ্যকাল অহা ১০ জুনৰ পৰা আৰু এবছৰৰ বাবে কাৰ্যকৰী হ’ব।

০০০০

লোকসভাৰ অৱসৰপ্ৰাপ্ত সচিবপ্ৰধান তথা সাংবিধানিক বিশেষজ্ঞ সুভাষ চি কাশ্যপে দীৰ্ঘদিনীয়া অসুস্থতাৰ পাছত কালি নতুন দিল্লীত ৯৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ এক দেশ এক নিৰ্বাচনৰ আইনী কাঠামো প্ৰস্তুত কৰিবলৈ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠিত উচ্চ পৰ্যায়ৰ সমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।১০০ খনতকৈও অধিক গ্ৰন্থৰ প্ৰণেতা কাশ্যপে ১৯৮৩ চনৰ পৰা ১৯৯০ চনলৈকে লোকসভাৰ সচিবপ্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন , প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোক সভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০

ল’ৰাৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপ হকী টুৰ্নামেণ্টৰ চেমিফাইনেলত আজি ভাৰত চিৰবৈৰী পাকিস্তানৰ মুখামুখি হ’ব। খেলখন জাপানৰ কাকামিগহৰা হকী ষ্টেডিয়ামত অনুষ্ঠিত হ’ব। ইপিনে ছোৱালীৰ ১৮ বছৰ অনুৰ্ধ এচিয়া কাপৰ চেমি ফাইনেলত আজি ভাৰত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০

ঃঃ সমাপ্ত ঃঃ